# **গৌহাটী উচ্চ ন্যায়ালয়**

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**গোচৰ নং : লেখ আপীল ৩৩৭/২০২২**

১) আফিয়া বেগম লস্কৰ আৰু অন্যান্য ২৮ জন
পিতৃ-প্ৰয়াত আব্দুল লতিফ লস্কৰ
গাঁও বৰনগৰ
ডাক-কালিবাৰী বজাৰ,
জিলা- হাইলাকান্দি, অসম

২) আয়েশা মমতাজ বেগম লস্কৰ
স্বামী-জামাল উদ্দিন লস্কৰ
গাঁও বৰনগৰ
ডাক কালিবাৰী বজাৰ,
জিলা- হাইলাকান্দি, অসম

৩) আব্দুল হান্নান বৰভূঞা
পিতৃ আফটাব উদ্দিন বৰভূঞা
গাঁও বৰনগৰ
ডাক কালিবাৰী বজাৰ,
জিলা- হাইলাকান্দি, অসম

৪) আনোৱাৰ হুছেইন বৰভূঞা
পিতৃ জমিৰ আলি বৰভূঞা
গাঁও কাপনাপাৰ
জিলা- হাইলাকান্দি, অসম

৫) আব্দুল ৰহিম লস্কৰ

পিতৃ মতীউৰ ৰহমান লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি, অসম।

৬) শ্বাহ আলম বৰভূঞা

পিতৃ ছাৰাফ উদ্দিন বৰভূঞা

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি, অসম

৭) তাজ উদ্দিন বৰভূঞা

পিতৃ উদ্দিন বৰভূঞা

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি, অসম।

৮) আব্দুল হান্নান লস্কৰ

পিতৃ ছিদ্দিক আলী লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি, অসম।

৯) ৰুহুল আমিন লস্কৰ

পিতৃ নুৰুল ইচলাম লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ

জিলা- হাইলাকান্দি, অসম

১০) তাজমিন নেহৰ লস্কৰ

পিতৃ প্ৰয়াত কলন্দৰ আলী লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ

জিলা- হাইলাকান্দি, অসম।

১১) মঞ্জুৰুল ইছলাম চৌধুৰী

পিতৃ ফাইজুল হক চৌধুৰী

আলগাপুৰ পি.টি.আই

থানা- আলগাপুৰ,

জিলা- হাইলাকান্দি, অসম

১২) আব্দুল খালেক বৰভূঞা

পিতৃ প্ৰয়াত মাতাকাৰ আলী বৰভূঞা

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি, অসম।

১৩) ছালিম উদ্দিন বৰভূঞা

পিতৃ প্ৰয়াত ময়না মিয়া বৰভূঞা

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি, অসম।

১৪) চাহিদুল ইছলাম লস্কৰ

পিতৃ প্ৰয়াত ময়োৰ আলী লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি, অসম।

১৫) চাহিদ আহমেদ লস্কৰ

পিতৃ প্ৰয়াত মাছাদ্দাৰ আলী লস্কৰ

গাঁও- কপ্লাপাৰ

থানা আলগাপুৰ,

জিলা- হাইলাকান্দি, অসম

১৬) মুকতাদিৰ ৰহমান লস্কৰ

পিতৃ মাহমুদ হুছেইন লস্কাৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ

জিলা- হাইলাকান্দি, অসম।

১৭) নজৰুল ইছলাম লস্কৰ

পিতৃ-ইজাজুৰ ৰহমান লস্কৰ

গাঁও কপ্লাপাৰৰ বাসিন্দা

ডাক আলগাপুৰ,

জিলা- হাইলাকান্দি, অসম

১৮) চৰিফ উদ্দিন লস্কৰ

পিতৃ মোচাই মিঞা লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ

জিলা- হাইলাকান্দি, অসম

১৯) বদৰুল হক লস্কৰ

পিতৃ আব্দুল সত্তৰ লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা– হাইলাকান্দি, অসম।

২০) সতী নাথ মজুমদাৰ

স্বামী– প্ৰত্যুত নাথ মজুমদাৰ

গাঁও পাডাৰপাৰ

থানা আলগাপুৰ,

জিলা– হাইলাকান্দি, অসম

২১) কমল উদ্দিন লস্কৰ

পিতৃ প্ৰয়াত চফিকুল হক লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ

জিলা– হাইলাকান্দি, অসম।

২২) জছিম উদ্দিন লস্কৰ

পিতৃ আব্দুল সত্তৰ লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা– হাইলাকান্দি, অসম।

২৩) কায়দুল ইছলাম লস্কৰ

পিতৃ প্ৰয়াত ইউছুফ আলী লস্কৰ

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা– হাইলাকান্দি, অসম।

২৪) মজিবুৰ ৰহমান লস্কৰ

পিতৃ প্ৰয়াত আহমেদ আলী লস্কৰ
গাঁও বৰনগৰ
ডাক কালিবাৰী বজাৰ,
জিলা-হাইলাকান্দি, অসম।

২৫) ছাহিনা বেগম চৌধুৰী
স্বামী-মাছুক আহমেদ চৌধুৰী
গাঁও আলগাপুৰ পিটি-১
থানা আলগাপুৰ,
জিলা-হাইলাকান্দি, অসম

২৬) আব্দুল আজিম বৰভূঞা
পিতৃ নুৰুদ্দিন বৰভূঞা
গাঁও কাপনাপাৰ
থানা- আলগাপুৰ,
জিলা- হাইলাকান্দি, অসম

২৭) নাছিৰুদ্দিন লস্কৰ
পিতৃ আব্দুল হক লস্কৰ
গাঁও বৰনগৰ
ডাক কালিবাৰী বজাৰ,
জিলা- হাইলাকান্দি, অসম

২৮) ছামচুল হক লস্কৰ
পিতৃ আব্দুল লতিফ লস্কৰ
গাঁও বৰনগৰ
ডাক কালিবাৰী বজাৰ,
জিলা- হাইলাকান্দি, অসম

২৯) গুলবাগ বেগম বৰভূঞা

স্বামী- ময়নুল হক বৰভূঞা

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা-হাইলাকান্দি, অসম।

...................... লেখ আপীলকাৰীসকল

-বনাম-

১) অসম চৰকাৰ

প্ৰতিনিধিত্ব কৰে- আয়ুক্ত আৰু সচিব, অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, দিছপুৰ, গুৱাহাটী-০৬

২) উপায়ুক্ত, হাইলাকান্দি

ডাক আৰু জিলা- হাইলাকান্দি, অসম

পিন- ৭৮৮১৫১

৩) মহকুমাধিপতি(সদৰ), হাইলাকান্দি

ডাক আৰু জিলা- হাইলাকান্দি, অসম

পিন- ৭৮৮১৫১

৪) মূখ্য কাৰ্যবাহী বিষয়া,

জিলা পৰিষদ হাইলাকান্দি,

ডাক আৰু জিলা- হাইলাকান্দি, অসম

পিন- ৭৮৮১৫১

৫) খণ্ড উন্নয়ন বিষয়া

আলগাপুৰ উন্নয়ন খণ্ড

ডাক কালিবাৰী বজাৰ,

জিলা-হাইলাকান্দি অসম,

পিন- ৭৮৮১৫১

৬) আলগাপুৰ গাঁও পঞ্চায়ত

প্ৰতিনিধিত্ব কৰে-সচিব, আলগাপুৰ গাঁও পঞ্চায়ত

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি অসম,

পিন- ৭৮৮১৫১

৭) সচিব

আলগাপুৰ গাঁও পঞ্চায়ত

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি, অসম,

পিন- ৭৮৮১৫১

৮) সভাপতি, আলগাপুৰ গাঁও পঞ্চায়ত

ডাক- কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি অসম,

পিন- ৭৮৮১৫১

৯) ছাহিন আহমেদ লস্কাৰ

পিতৃ প্ৰয়াত নাছিৰ উদ্দিন লস্কৰ

ডাক- কালিবাৰী বজাৰ,

জিলা-হাইলাকান্দি অসম

পিন- ৭৮৮১৫০

১০) ইছলাম উদ্দিন লস্কৰ

পিতৃ মোছাদ্দাৰ আলী লস্কাৰ

গাঁও বৰনগৰ

ডাক   কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি, অসম,

পিন- ৭৮৮১৫০

১১) আনোৱাৰ হুছেইন বৰভূঞা

পিতৃ আব্দুল মতলিব বৰভূঞা

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি অসম,

পিন- ৭৮৮১৫০

১২) ছালিম উদ্দিন বৰভূঞা

পিতৃ আলাউদ্দিন বৰভূঞা

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি অসম,

পিন- ৭৮৮১৫০

১৩) মাসুক আহমেদ বৰভূঞা

পিতৃ শামচুল হক বৰভূঞা

গাঁও বৰনগৰ

ডাক কালিবাৰী বজাৰ,

জিলা- হাইলাকান্দি অসম

পিন- ৭৮৮১৫০

১৪) মৰিয়ম বিবি

স্বামী- প্ৰয়াত আব্দুল জলিল লস্কাৰ

গাঁও আলগাপুৰ প্ৰথম খণ্ড

ডাক কালিবাৰী বজাৰ,

থানা আলগাপুৰ

জিলা হাইলাকান্দি,

পিন–৭৮৮১৫০

১৫) ছালিনা বেগম বৰভূঞা

স্বামী- আলটাফ হুছেইন বৰভূঞা

গাঁও চিপাৰসংগন প্ৰথম খণ্ড

ডাক জনকী বজাৰ,

জিলা হাইলাকান্দি,

পিন–৭৮৮১৫০

১৬) পাপ্পু পাল

পিতৃ কাঞ্চন পাল

গাঁও আলগাপুৰ প্ৰথম খণ্ড

ডাক কালিবাৰী বজাৰ,

থানা আলগাপুৰ,

জিলা হাইলাকান্দি,

পিন–৭৮৮১৫০

১৭) বাহাৰ উদ্দিন চৌধুৰী

পিতৃ আকদচ আলি চৌধুৰী

গাঁও আলগাপুৰ প্ৰথম খণ্ড

ডাক কালিবাৰী বজাৰ,

থানা আলগাপুৰ,

জিলা হাইলাকান্দি,

পিন–৭৮৮১৫০

১৮)শ্ৰীকান্ত পাল

পিতৃ শ্ৰীমত কুমাৰ পাল

গাঁও আলগাপুৰ প্ৰথম খণ্ড

ডাক কালিবাৰী বজাৰ,

থানা আলগাপুৰ,

জিলা হাইলাকান্দি,

পিন-৭৮৮১৫০

১৯)প্ৰভাত পাল

পিতৃ মনমথ পাল

গাঁও আলগাপুৰ প্ৰথম খণ্ড

ডাক কালিবাৰী বজাৰ,

থানা আলগাপুৰ,

জিলা হাইলাকান্দি,

পিন-৭৮৮১৫০

২০)গুলেনুৰ হক লস্কাৰ

পিতৃ নাজাৰুল হক লস্কাৰ

গাঁও আলগাপুৰ প্ৰথম খণ্ড

ডাক কালিবাৰী বজাৰ,

থানা আলগাপুৰ,

জিলা হাইলাকান্দি,

পিন-৭৮৮১৫০

২১) ৰেহানা বেগম লস্কাৰ

স্বামী- আফটাব উদ্দিন লস্কাৰ

গাঁও আলগাপুৰ প্ৰথম খণ্ড

ডাক কালিবাৰী বজাৰ,

থানা আলগাপুৰ,

জিলা হাইলাকান্দি,

পিন–৭৮৮১৫০

২২) অবজালুৰ ৰহমান লস্কৰ

মাতৃ ৰেহানা বেগম লস্কাৰ

গাঁও আলগাপুৰ প্ৰথম খণ্ড

ডাক কালিবাৰী বজাৰ,

থানা আলগাপুৰ,

জিলা হাইলাকান্দি,

পিন–৭৮৮১৫

...... উত্তৰদাতাসকল

**<u>মহামহিম মুখ্য ন্যায়াধীশ</u>**

**<u>আৰু মহামান্য ন্যায়াধীশ শ্ৰীমতী সুস্মিতা খাওণ্ডৰ</u>**

**<u>খণ্ড বিচাৰপীঠ</u>**

আবেদনকাৰীসকলৰ বাবে: শ্ৰী ইউ.কে.নায়াৰ, জ্যেষ্ঠ অধিবক্তা আৰু তেওঁক সহযোগ কৰে শ্ৰী এম.এইচ. লস্কৰ, অধিবক্তা।

উত্তৰদাতাসকলৰ বাবে: শ্ৰী পি. সন্দিকৈ, স্থায়ী পৰামৰ্শদাতা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ।

: শ্ৰী ডি.কে. শৰ্মা, অতিৰিক্ত জ্যেষ্ঠ চৰকাৰী অধিবক্তা, অসম (উত্তৰদাতা নং ২ আৰু ৩ৰ হৈ)।

: শ্ৰী পি. কে. ৰয় চৌধুৰী আৰু শ্ৰী এইচ আই. চৌধুৰী, অধিবক্তা

(উত্তৰদাতা নং ১০ আৰু ১১ৰ হৈ)

: শ্ৰীটি.জে. মহন্ত, জ্যেষ্ঠ অধিবক্তা আৰু তেওঁক সহযোগ কৰে শ্ৰীআৰ.এ. চৌধুৰী, অধিবক্তা(উত্তৰদাতা নং ৪ৰ হৈ)।

<u>শুনানি আৰু ৰায়ৰ তাৰিখ:</u> ৩০/০৮/২০২৩

**<u>ৰায় আৰু আদেশ (মৌখিক)</u>**

***<u>মুখ্য ন্যায়াধীশ সন্দীপ মেহতা</u>***

এই লেখ আপীল এই ন্যায়ালয়ৰে লেখ আবেদন(দেৱানী)নং ৫৪৬৮/২০১৯ আৰু লেখ আবেদন(দেৱানী)নং ৫৪১৯/২০২০ ত বিদ্বান একক বিচাৰপীঠে প্ৰদান কৰা ১৩.০৯.২০২২ তাৰিখৰ ৰায় আৰু চূড়ান্ত আদেশৰ বিৰুদ্ধে দাখিল কৰা হৈছে।

২)আপীলকাৰী/ লেখ আবেদনকাৰীসকলে দাবী উত্থাপন কৰে যে আলগাপুৰ গাঁও পঞ্চায়তৰ ১৩.১১.২০০৯ তাৰিখৰ জাননী অনুসৰি আলগাপুৰ বজাৰত নিৰ্মাণ হ'বলগীয়া ২৯ টা দোকানৰ কোঠা আবন্টন দিয়াৰ বাবে বাচনি কৰা হৈছে। কোৱা হৈছে যে মুঠ ৫৩ জন আবেদনকাৰীয়ে আবন্টন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছিল আৰু সেই প্ৰক্ৰিয়াত আপীলকাৰী/আবেদনকাৰীসকলক বাচনি কৰা হৈছিল। তেওঁলোকৰ প্ৰত্যেকে ২,১০,০০০/- টকাকৈ অগ্ৰিম ধন কিস্তি হিচাপে জমা দিছিল আৰু উক্ত পুঁজি ব্যৱহাৰ কৰি গাঁও পঞ্চায়তৰ নিৰ্মাণ সমিতিয়ে দোকানৰ-কোঠা নিৰ্মাণ কৰিছিল।

৩)আপীলকাৰী/ লেখ আবেদনকাৰীয়ে দাবী উত্থাপন কৰে যে নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পিছত ০১.০৯.২০১১ তাৰিখে আলগাপুৰ গাঁও পঞ্চায়তক প্ৰতিনিধিত্ব কৰি ইয়াৰ সভাপতি আৰু আবন্টন পোৱা ব্যক্তি (আপিলকাৰী/আবেদনকাৰীসকল)ৰ

প্ৰত্যেকেৰে সৈতে সাক্ষীৰ উপস্থিতিত বন্দোবস্তিৰ দলিল সম্পাদন কৰা হৈছিল। কিন্তু দোকান-কোঠাসমূহ আপীলকাৰী/আবেদনকাৰীসকলক হস্তান্তৰ কৰা হোৱা নাছিল, যাৰ বাবে তেওঁলোকে এই ন্যায়ালয়ত লেখ আবেদন (দেৱানী)নং ৬৩৯৭/২০১৭ দাখিল কৰিছিল আৰু ন্যায়ালয়ে বিষয়টো পৰ্যবেক্ষন কৰি ৩০.১০.২০১৭ তাৰিখে এক অন্তৰ্বৰ্তীকালীন আদেশ প্ৰদান কৰে যে দোকানৰ-কোঠাবোৰ আবন্টন পোৱা ব্যক্তিক হস্তান্তৰ কৰাৰ ক্ষেত্ৰত আলগাপুৰ গাঁও পঞ্চায়তৰ সম্পূৰ্ণ স্বাধীনতা থাকিব। সেই অনুসৰি আপীলকাৰীসকলে দাবী কৰে যে তেওঁলোকে দোকানৰ-কোঠাবোৰৰ দখল লৈ তাত ব্যৱসায় চলাই আছে। আপীলকাৰীয়ে দাখিল কৰা লেখ আবেদন (দেৱানী) নং ৬৩৯৭/২০১৭ আৰু দোকানসমূহৰ দখল বিচৰা আনকেইগৰাকীমান ব্যক্তিয়ে দাখিল কৰা লেখ আবেদন (দেৱানী) নং ৬৯৪৩/২০১৭ যোৱা ২৬.০৪.২০১৮ তাৰিখৰ আদেশৰ জৰিয়তে নিষ্পত্তি কৰা হয় আৰু বিষয়টো তদন্ত কৰি প্ৰয়োজনীয় আদেশ প্ৰদান কৰিবলৈ বিষয়টো হাইলাকান্দিৰ উপায়ুক্তলৈ প্ৰেৰণ কৰা হয় ।

৪) ইয়াৰ পিছত হাইলাকান্দিৰ উপায়ুক্তই বিষয়টো তদন্ত কৰি এই সিদ্ধান্তত উপনীত হয় যে আপীলকাৰীসকলে আগবঢ়োৱা আগধনেৰে দোকানৰ-কক্ষসমূহ নিৰ্মাণ কৰা হৈছে। তাৰ পিছত উত্তৰদাতা নং ৯, ১০, ১১, ১২ আৰু ১৩ য়ে এই ন্যায়ালয়ত লেখ আবেদন দেৱানী)নং ৪৩৬/২০১৯ দাখিল কৰে আৰু উক্ত লেখ আবেদনত ২৫.০১.২০১৯ তাৰিখে জাৰি কৰা এক অন্তৰ্বৰ্তীকালীন আদেশৰ জৰিয়তে অসম পঞ্চায়ত আইন, ১৯৯৪ আৰু অসম পঞ্চায়ত (বিত্তীয়) নিয়ম, ২০০২ ৰ অধীনত নিৰ্ধাৰিত পদ্ধতি অনুসৰণ কৰি দোকানসমূহৰ বন্দোবস্তিৰ বাবে আলগাপুৰ গাঁও পঞ্চায়তৰ সম্পাদকক নিবিদা জাননী জাৰি কৰিবলৈ নিৰ্দেশ দিয়া হয় । এই নিবিদা জাননী ২৯.০৬.২০১৯ তাৰিখে জাৰি কৰা হয়।

৫) আপীলকাৰী/ আবেদনকাৰীসকলে ২৫.০১.২০১৯ তাৰিখৰ উক্ত অন্তৰ্বৰ্তীকালীন আদেশক প্ৰত্যাহ্বান জনাই লেখ আপীল নং ৩৮/২০১৯ দাখিল কৰে আৰু এই লেখ আপীল খণ্ড বিচাৰপীঠে ১১.০২.২০১৯ তাৰিখৰ আদেশৰ জৰিয়তে নিষ্পত্তি কৰি উল্লেখ কৰে যে লেখ আবেদন বিচাৰাধীন অৱস্থাত নিবিদা প্ৰক্ৰিয়াত সফল হোৱা পক্ষসমূহক বিদ্বান একক ন্যায়াধীশৰ অনুমতি অবিহনে কৰ্তৃপক্ষই দখলৰ আদেশ জাৰি কৰিব নালাগে।

৬) ২৩.০৭.২০১৯ তাৰিখৰ আদেশৰ জৰিয়তে আপীলকাৰীসকলক আইন অনুসৰি উপযুক্ত প্ৰতিকাৰৰ সুবিধা ল'বলৈ স্বাধীনতা প্ৰদান কৰি লেখ আবেদন নং ৪৩৬/২০১৯ নিষ্পত্তি কৰা হয় ।

৭) ইয়াৰ পিছত আপীলকাৰী/আবেদনকাৰীয়ে লেখ আবেদন নং ৫৪৬৮/২০১৯ দাখিল কৰাৰ বিপৰীতে ২৯.০৬.২০১৯ তাৰিখৰ এনআইটিত সফল হোৱা বন্দোবস্তি পোৱাৰ আকাংক্ষা কৰা ব্যক্তিসকলে নতুন নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে বিবাদিত দোকানসমূহৰ বন্দোবস্তিৰ বাবে দাবী উত্থাপন কৰি লেখ আবেদন নং ৫৪১৯/২০২০ দাখিল কৰে ।

৮) বিদ্বান এজনীয়া বিচাৰপীঠে পক্ষসমূহৰ শুনানি গ্ৰহণ কৰিছিল আৰু ১৩.০৯.২০২২ তাৰিখৰ বিবাদিত আদেশৰ জৰিয়তে আদালতত উপস্থাপন কৰা বিষয়সমূহ তলত দিয়া পৰ্যবেক্ষণসমূহৰ সৈতে বিচাৰ কৰিছিল:

> "১৫ প্ৰথমটো গোচৰত আৱেদনকাৰীসকলৰ দাবী মুখ্যতঃ এই যুক্তিৰ ওপৰত প্ৰতিস্থিত যে পূৰ্বৰ বাছনি প্ৰক্ৰিয়াত তেওঁলোকক ২৯ টা দোকানৰ কোঠা আৱণ্টন দিয়াৰ বাবে বাছনি কৰা হৈছিল, আৰু সেই অনুসৰি বন্দোবস্তিৰ দলিল সম্পাদন কৰাৰ লগতে ধনো পৰিশোধ কৰা হৈছিল, সেয়েহে এক সম্পাদিত চুক্তি থকাৰ বাবে, এই চুক্তিৰ ফলাফল আবেদনকাৰীসকলক

উপভোগ কৰিবলৈ অনুমতি দিব লাগে। উক্ত দাবীটো পৰীক্ষা কৰিবলৈ এই আদালতত দাখিল কৰা তথ্যসমূহ ভালদৰে পৰীক্ষা কৰা হৈছে। প্ৰথমটো গোচৰৰ আবেদনকাৰীসকলক নিৰ্বাচিত কৰাটো এটা স্বীকৃতিপ্ৰাপ্ত বাছনি প্ৰক্ৰিয়া আছিল বুলি নথিত একো উল্লেখ নাই। প্ৰথমটো গোচৰত আবেদনকাৰীসকলক সন্দেহৰ পৰা পাব পৰা সুবিধা দিলেও তথাকথিত বন্দোবস্তিৰ দলিলৰ প্ৰতিলিপিত দেখা যায় যে এই দলিল আলগাপুৰ গাঁও পঞ্চায়তেও কাৰ্যকৰী কৰা নাই বৰঞ্চ ইয়াৰ সভাপতিয়েহে কাৰ্যকৰী কৰে। যিখিনি ধন দিয়া বুলি কোৱা হৈছে, ৰচিদ দাখিলেৰে সেই ধনৰাশি দিয়োটো নিশ্চিত কৰিবলৈ চেষ্টা কৰা হৈছে । অৱশ্যে ৰচিদত স্পষ্টকৈ দেখা গৈছে যে এই ধনৰাশি দান হিচাপেহে দিয়া হৈছে, কোনো ধৰণৰ পৰিশোধৰ বাবে দিয়া হোৱা নাই। সন্দেহৰ পৰা পাব পৰা অধিক সুবিধা প্ৰদান কৰিলেও সামান্য পৰিমাণৰ ভাড়াৰ বিপৰীতে কোঠাবোৰৰ বন্দোবস্তি অযুক্তিকৰভাৱে ৯৯ বছৰৰ বাবে দীঘলীয়া সময়ৰ বাবে দিয়াটো ৰাজ্যিক বৃহৎ পৰিমাণৰ বিতৰণৰ ক্ষেত্ৰখন নিয়ন্ত্ৰণ কৰা নীতিৰ সম্পূৰ্ণ বিৰুদ্ধ। আনকি কোনো এক ক্ষেত্ৰত বৈধভাৱে কাৰ্যকৰী কৰা চুক্তি থাকিলেও আবেদনকাৰীসকলে বিশেষ সকাহ বিচৰাৰ ক্ষেত্ৰত আইনে বাধা দিয়ে কাৰণ তাৰ প্ৰতিকাৰ ক্ষতিপূৰণৰ ৰূপত পাব পাৰি যদিহে গোচৰটোত কৰা আবেদন সফলতাৰে প্ৰমাণ কৰিব পাৰে।"

৯)এই লেখ আপীলত আপীলকাৰী/আবেদনকাৰীসকলে পূৰ্বতে উল্লেখ কৰা ১৩.০৯.২০২২ তাৰিখৰ আদেশক প্ৰত্যাহ্বান জনাইছিল।

১০)আপীলকাৰীসকলক প্ৰতিনিধিত্ব কৰা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী ইউ.কে. নায়াৰে আইনৰ যথাযথ প্ৰক্ৰিয়া অনুসৰণ কৰি বিবাদিত দোকানসমূহ আপীলকাৰীসকলক

বৈধভাৱে আবণ্টন দিয়া হৈছিল বুলি মত প্ৰকাশ কৰিছিল। গাঁও পঞ্চায়তৰ জাননী ফলকত এখন জাননী দিয়াৰ পিছত ৫৩ গৰাকীয়ে আবেদন দাখিল কৰে। আবেদনসমূহ যথাযথভাৱে বিবেচনা কৰা হৈছিল আৰু আগবঢ়োৱা ধনৰ হাৰৰ তুলনামূলক মূল্যায়নৰ পিছত আপীলকাৰী/আবেদনকাৰীসকলক বাছনি কৰা হৈছিল আৰু আপীলকাৰী/আবেদনকাৰীসকলে জমা কৰা বন্দোবস্তিৰ ধন ব্যৱহাৰ কৰি নিৰ্মাণ কৰা দোকানসমূহ তেওঁলোকক আবণ্টন দিয়া হৈছিল। বন্দোবস্তিৰ দলিল কাৰ্যকৰী কৰা হৈছিল, চুক্তি স্বাক্ষৰিত হৈছিল, আনকি ২০১৭ চনত আপীলকাৰীসকলক দোকানসমূহ হস্তান্তৰ কৰা হৈছিল আৰু তাৰ পিছৰে পৰা তেওঁলোকে সেই দোকানসমূহ বৈধভাৱে চলাই আছিল। তেওঁ আৰু উল্লেখ কৰে যে আপীলকাৰীসকলে জমা কৰা বৰঙনিৰ ধন ব্যৱহাৰ কৰি বিবাদিত দোকানসমূহ নিৰ্মাণ কৰা হৈছে আৰু সেয়েহে, আপীলকাৰীসকলৰ দোকানসমূহৰ দখল লাভৰ অধিকাৰ ইয়াত সুস্পষ্ট। এইদৰে তেওঁ আদালতক লেখ আপীল গ্ৰহণ কৰিবলৈ আৰু বিবাদিত আদেশটো বাতিল কৰিবলৈ অনুৰোধ জনায়।

১১) ইয়াৰ বিপৰীতে, উত্তৰদাতাসকলক প্ৰতিনিধিত্ব কৰা বিদ্বান অধিবক্তাই যুক্তি প্ৰদৰ্শন কৰি কয় যে আপীলকাৰী/আবেদনকাৰীক দোকানসমূহৰ আবণ্টন দিয়াটো সম্পূৰ্ণৰূপে নীতিবিৰুদ্ধ আছিল। অসম পঞ্চায়ত (বিত্তীয়) নিয়মাৱলী, ২০০২ আৰু নিৰ্দিষ্টভাৱে ক'বলৈ গ'লে ইয়াৰ ৪৭ নং বিধিত থকা বিধান অনুসৰিহে দোকানসমূহ আবণ্টন দিব পৰা গ'লহেঁতেন যিতো বিধিত উল্লেখ আছে যে বজাৰ আদিৰ এনেধৰণৰ যিকোনো বিক্ৰী বা বন্দোবস্তি ছীলযুক্ত নিবিদা জাননী জাৰি কৰিহে কৰিব লাগে । এইদৰে তেওঁলোকে যুক্তি দৰ্শাই যে এই গোচৰত আপীলকাৰীসকলক দোকান আবণ্টন দিয়াৰ সমগ্ৰ প্ৰক্ৰিয়াটো গোপন আৰু অবৈধভাৱে কৰা হৈছে। আনকি বন্দোবস্তিৰ দলিলতো গাঁও পঞ্চায়তৰ সভাপতিয়ে ব্যক্তিগতভাৱেহে স্বাক্ষৰ

কৰিছিল গতিকে আপীলকাৰীসকলক এনেদৰে দিয়া আবন্টন সম্পূৰ্ণ অবৈধ আৰু সেয়েহ বিদ্বান এজনীয়া ন্যায়াধীশে বিষয়টোত কৰা হস্তক্ষেপ সঠিক আছিল।

১২) বিদ্বান অধিবক্তাসকলে উত্থাপন কৰা যুক্তিবোৰ আমি গুৰুত্বসহকাৰে বিবেচনা কৰিছো আৰু নথিত উপলব্ধ তথ্যসমূহ পঢ়িছো৷

এখন গাঁও পঞ্চায়তৰ দ্বাৰা দোকান আবন্টন কৰাটো অসম পঞ্চায়ত (বিত্তীয়) বিধি, ২০০২ৰ ৪৭নং বিধিত থকা বিধানসমূহৰ দ্বাৰা নিয়ন্ত্ৰিত হয় যিটো তলত দিয়া ধৰণৰ–

"৪৭(১) ধাৰা ১০৫, ১০৬, ১০৭, ১০৮ আৰু ১০৯–ৰ অধীনত পঞ্চায়তৰ নিয়ন্ত্ৰণ আৰু প্ৰশাসনৰ অধীনত থকা বা ৰখা এনে বজাৰ বা ফেৰিঘাট বা মীন মহলবোৰ বা পাউণ্ডবোৰ নিৰ্দিষ্ট মাচুলৰ ন্যায়ালয়ৰ শুল্ক লগোৱা বন্ধ খামত নিবিদা আহ্বান কৰি বন্দোবস্তি দিয়া হ'ব যি অন্যথা প্ৰচলিত হৈ আছে আৰু বজাৰ বা মাচুল বা মীন আৰু পাউণ্ডৰ সন্দৰ্ভত অনুমোদিত মাচুল সংগ্ৰহ কৰাৰ অধিকাৰৰ বন্দোবস্তি আৰু বিক্ৰী বাবে এটা পঞ্চায়ত বিত্তীয় বৰ্ষত আমানত ধন ন্যূনতম নিলাম মূল্যৰ দুই শতাংশতকৈ কম হব নোৱাৰিব৷

এইদৰে লাভ কৰা আমানতৰ ধন এই নিয়মসমূহৰ অনুসূচীৰ ১২ নং প্ৰপত্ৰত পঞ্জীয়ন কৰা হব।

(২) পঞ্চায়ত বিত্তীয় বৰ্ষৰ অন্তিম দিনৰ কমেও পঁয়চল্লিশ দিন পূৰ্বে এনে নিবিদা জাননী জাৰি কৰা হব আৰু এনে নিবিদা জাননীত উল্লেখ থাকিব –

(i) বন্দোবস্তি দিবলগীয়া প্ৰতিটো সম্পত্তিৰ নাম আৰু স্থান;

(ii) আমানতৰ ধন জমা কৰাৰ লগতে নিবিদা দাখিলৰ চৰ্ত;

(iii) বন্দোবস্তি দিবলগীয়া সম্পত্তিৰ সম্পূৰ্ণ বিৱৰণ;

(iv) বন্দোবস্তিৰ সময়সীমা;

(v) নিবিদা দাখিলৰ শেষ তাৰিখ;

(vi) নিবিদা খোলাৰ তাৰিখ, স্থান আৰু সময়।

(৩) এনে নিবিদা জাননীৰ ব্যাপক প্ৰচাৰ কৰা হ'ব আৰু ইয়াৰ প্ৰতিলিপি উপায়ুক্ত, মহকুমা বিষয়া, লোক নিৰ্মাণ বিভাগ আৰু গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ কাৰ্যালয়ৰ জাননী ফলকত আৰি দিয়াৰ লগতে আৰু কিছুমান বিশেষ স্থানত প্ৰদৰ্শন কৰা হ'ব। নিবিদা জাননীৰ এটা প্ৰতিলিপি ৰাজ্য চৰকাৰ/অসম চৰকাৰ পঞ্চায়ত আৰু গ্ৰাম্যোন্নয়ন সঞ্চালকালয়লৈ পঠোৱা হ'ব।

(৪) ইচ্ছুক নিবিদাকাৰীয়ে এনে নিবিদা পঞ্জীভুক্ত ডাকযোগে বা ব্যক্তিগতভাৱে বন্ধ খামত জমা দিব লাগিব।

(৫) সমিতিয়ে আইনখনৰ ২২নং ধাৰাৰ উপধাৰা (১)(i) বা ৫২ নং ধাৰাৰ উপধাৰা (১)(ক) বা ৮১ নং ধাৰাৰ উপধাৰা(ক) অনুসৰি নিবিদা মুকলি কৰি, কাৰ্য সম্পাদন কৰি বন্দোবস্তি নিষ্পত্তি কৰিব ।

নিবিদা খোলাৰ সময়ত নিবিদাকাৰী বা তেওঁলোকৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিসকলৰ সবিশেষ এখন কাগজত লিপিবদ্ধ কৰা হব।

(৬) নিবিদাকাৰী বা তেওঁৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিৰ অনুপস্থিতিয়ে নিবিদা প্ৰক্ৰিয়াক কোনো প্ৰকাৰে অসাৰ বুলি প্ৰতিপন্ন নকৰিব।

৭) ধাৰা ২২ৰ উপ-ধাৰা (১)(i) বা ধাৰা ৫২ৰ উপ-ধাৰা(১)(ক) বা আইনৰ ধাৰা ৮১ৰ উপ-ধাৰা (১)(ক)ৰ অধীনত, যিটো প্ৰযোজ্য, উপস্থিত

সদস্যই নিবিদাৰ সকলো কাগজ-পত্ৰত স্বাক্ষৰ কৰিব লাগিব আৰু নিবিদাৰ সম্পূৰ্ণ বিৱৰণ উল্লেখ কৰি তুলনামূলক বিবৃতি প্ৰস্তুত কৰিব লাগিব আৰু তুলনামূলক বিবৃতিত সদস্যৰ স্বাক্ষৰ তাৰিখসহ লব লাগিব।

৮)উপ-বিধি(৭)ত উল্লেখ কৰা সমিতিখনে প্ৰতিখন নিবিদাৰ ওপৰত নিজৰ মতামত ইয়াৰ সন্মুখত যথাযথভাৱে স্বাক্ষৰিত আৰু তাৰিখ উল্লেখ কৰা তুলনামূলক বিবৃতিত লিপিবদ্ধ কৰিব লাগিব আৰু গ্ৰহণৰ বাবে কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা হ'ব।

৯)যিকোনো বিবাদৰ ক্ষেত্ৰত বিষয়টো আইনখনৰ ১০৫ নং ধাৰাৰ উপ-ধাৰা(৪) বা ১০৪ নং ধাৰাৰ উপ-ধাৰা (৪) বা ১০৯ নং ধাৰাৰ উপ-ধাৰা (৪) অনুসৰি চৰকাৰৰ ওচৰলৈ প্ৰেৰণ কৰা হব, এই ক্ষেত্ৰত যিটো প্ৰযোজ্য হয়।

১০) সৰ্বোচ্চ নিবিদাকাৰীৰ নিবিদা গ্ৰহণ কৰিব লাগিব। সৰ্বোচ্চ নিবিদাৰ বাহিৰে অন্য নিবিদা গ্ৰহণৰ বাবে "চৰকাৰ"ৰ পূৰ্ব আৰু আনুষ্ঠানিক অনুমোদনৰ প্ৰয়োজন হব।

১১)নিবিদা গ্ৰহণ কৰাৰ লগে লগে সংশ্লিষ্ট পঞ্চায়তে সংশ্লিষ্ট নিৰ্বাচিত নিবিদাকাৰীসকলক অৱগত কৰিব লাগিব যে নিবিদাকাৰীসকলে নিবিদা পত্ৰ প্ৰদানৰ তাৰিখৰ পৰা সাত দিনৰ ভিতৰত–

(i) আমানত হিচাপে সংশ্লিষ্ট পঞ্চায়তত যি ধনৰাশি জমা কৰিব লাগিব সেয়া তেওঁৰ নিবিদাত উদ্ধৃত ধনৰাশিৰ ত্ৰিশ শতাংশতকৈ কম হব নোৱাৰিব। আমানতৰ পৰিমাণ পঞ্জীৰ প্ৰপত্ৰ নং ১২ত লিপিবদ্ধ কৰিব লাগিব আৰু এই নিয়মৰ অনুসুচীৰ পৰিশিষ্ট-৮ত উল্লেখ কৰা ধৰণে প্ৰপত্ৰত শুল্ক মোহৰযুক্ত দলিল গ্ৰহণ কৰিব লাগিব;

(ii) সংশ্লিষ্ট মহলদাৰৰ খৰচত সংশ্লিষ্ট পঞ্চায়তে বন্দোবস্তিৰ প্ৰ-পত্ৰ আৰু দলিল প্ৰদান কৰিব লাগিব।

(১২) উপ-দফা(ii)ত উল্লেখ কৰা নিবিদাকাৰীয়ে যদি নিৰ্ধাৰিত সাত দিনৰ ভিতৰত প্ৰয়োজনীয় ধন জমা কৰিব নোৱাৰে বা বন্দোবস্তি গ্ৰহণ কৰিব নোৱাৰে তেন্তে সংশ্লিষ্ট পঞ্চায়তে বিষয়টো সেই চৰকাৰলৈ প্ৰেৰণ কৰিব লাগিব যিয়ে এই সন্দৰ্ভত লোৱা সিদ্ধান্ত চূড়ান্ত হব।

অৱশ্যে দফা (১১)ৰ উপ-দফা(i)ত উল্লেখ কৰা অনুসৰি নিবিদাকাৰীয়ে প্ৰয়োজনীয় ধন জমা কৰাৰ আগতে বন্দোবস্তি দিয়া নহব।

(১৩)নিবিদাকাৰীয়ে উপধাৰা ১১(i), (ii)ত উল্লেখ কৰা চৰ্ত মানি চলাত ব্যৰ্থ হ'লে সংশ্লিষ্ট পঞ্চায়তৰ পুঁজিত জমা কৰা আমানত ধন বাজেয়াপ্ত কৰা হ'ব।

(১৪)যেতিয়া বন্দোবস্তিৰ কোনো এটা চৰ্ত মহলদাৰে উলংঘনৰ কৰাৰ ফলস্বৰূপে বন্দোবস্তি বাতিল কৰিবলগীয়া হয়, তেতিয়া উপ-বিধি(১)ৰ ব্যৱস্থা সাপেক্ষে পূৰ্বৰ উপ-বিধিত নিৰ্ধাৰিত ধৰণে নতুন নিবিদা আহ্বান কৰি নিৰ্দিষ্ট সম্পত্তিটো কোনো পলম নকৰাকৈ বন্দোবস্তি দিয়া হব। যদিহে এনে পুনৰ বন্দোবস্তিত প্ৰাপ্ত মূল্যই কিস্তি দিয়াত ব্যৰ্থ হোৱা মহলদাৰে প্ৰদান কৰিবলগীয়া ৰাজহৰ বাকী অংশ সামৰি নলয়, তেন্তে সংশ্লিষ্ট পঞ্চায়তখনে লগে লগে উপায়ুক্ত বা সংশ্লিষ্ট মহকুমাৰ মহকুমা বিষয়াক, যিটো প্ৰযোজ্য হয়, এই লোকচানৰ পৰিমাণ কিস্তি দিয়াত ব্যৰ্থ হোৱা মহলদাৰ বা তেওঁৰ জামিনদাৰৰ পৰা ভূমি ৰাজহৰ বকেয়া হিচাপে আদায়ৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে অনুৰোধ কৰিব লাগিব, যদিহে ওপৰৰ উপ- বিধি(ii)ৰ

অধীনত জমা কৰা ধনৰাশি বা ইয়াৰ ৰাজহ, ক্ষতিৰ পৰিমাণ আদায় কৰিবলৈ যথেষ্ট নহয়।

১৫)উপ-বিধি(১১)ৰ অধীনত মহলদাৰে জমা কৰা ধনৰাশি মহলদাৰে তেওঁৰ বন্দোবস্তিৰ চৰ্ত অনুসৰি মহলদাৰে প্ৰদান কৰিবলগীয়া ৰাজহ আৰু অন্যান্য ধনৰ প্ৰাপ্য পৰিশোধৰ ধন আমানত হিচাপে সংশ্লিষ্ট পঞ্চায়তৰ হাতত ৰাখিব লাগিব আৰু এনে ৰাজহ বা অন্যান্য ধনৰাশি পৰিশোধ নকৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট পঞ্চায়তে জমা ধনৰ পৰিমাণ বা ইয়াৰ যিমানখিনি প্ৰয়োজনীয় সেইখিনি ধন উক্ত ৰাজহ বা মহলদাৰৰ পৰা পাবলগীয়া অন্যান্য ধনৰাশি আদায় কৰিব লাগিব।

(১৬) সংশ্লিষ্ট পঞ্চায়তে প্ৰতিটো বন্দোবস্তি পঞ্জীয়নৰ ব্যৱস্থা গ্ৰহণ কৰিব।

(১৭) পঞ্চায়তক আবন্টন দিয়া মীনমহল, বজাৰ, ফেৰীঘাট, আৰু পুখুৰীৰ ক্ষেত্ৰত ১৮ নং প্ৰপত্ৰত পঞ্জীয়নৰ পঞ্চায়ত মাচুলৰ অধীনত ৰখা হ'ব।

............................."

১৩)গতিকে এইটো স্পষ্ট যে বজাৰৰ লগতে বিবাদিত দোকানসমূহৰ বিক্ৰী/বন্দোবস্তিৰ ক্ষেত্ৰত অসম পঞ্চায়ত (বিত্তীয়) বিধি, ২০০২ৰ ৪৭ নং নিয়মত থকা বাধ্যতামূলক প্ৰয়োজনীয়তা কঠোৰভাৱে অনুসৰন কৰিব লাগিব।

উল্লেখিত বিধি, ২০০২ৰ নিয়ম ৪৭(২) নং নিয়মত বিশেষভাৱে উল্লেখ আছে যে পঞ্চায়ত বিত্তীয় বৰ্ষৰ অন্তিম দিনৰ কমেও ৪৫ দিনৰ আগতে নিবিদা জাননী জাৰি কৰিব লাগিব আৰু সেই নিবিদাত এই দফাত থকা বিভিন্ন সবিশেষ উল্লেখ থাকিব লাগিব। গাঁও পঞ্চায়তৰ জাননী ফলকত নিবিদা জাননী ওলোমাই থোৱাৰ উপৰিও উপাযুক্ত, মহকুমা বিষয়া, লোক নিৰ্মাণ বিভাগৰ কাৰ্যালয় আৰু অন্যান্য বিশেষ স্থানৰ জাননী ফলকত প্ৰতিলিপি আঁৰি ব্যাপক প্ৰচাৰ কৰিব লাগিব ।

নিবিদাসমূহ বন্ধ খামত গ্ৰহণ কৰিব লাগিব আৰু অসম পঞ্চায়ত আইন, ১৯৯৪ৰ ২২/৫২/৮১ ধাৰাৰ অধীনত সমিতিখনে এইবোৰ নিষ্পত্তি কৰিব লাগিব।

১৪)এই গোচৰত আপীলকাৰীসকলক নিয়ম ৪৭(উপৰোক্ত)ৰ অধীনত নিৰ্ধাৰিত বাধ্যতামূলক প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈয়ে বিবাদিত বন্দোবস্তি প্ৰদান কৰা বুলি কোনো বিবাদ নাই কাৰণ এইটো স্বীকাৰ কৰা হৈছে যে বন্ধ খামত নিবিদা আহ্বান নকৰি কেৱল জাননীখনহে গাঁও পঞ্চায়তৰ জাননী ফলকত আৰি দিয়া হৈছিল। জাননীত উল্লেখ কৰা সময়সীমাও নথিত দৃষ্টিগোচৰ নহয়।

১৫) এইটো স্বীকাৰ্য্য যে ওপৰত উল্লেখ কৰা আইন আৰু বিধিৰ বিধানসমূহত বাধ্যতামূলকভাৱে অনুসৰন কৰিবলগীয়া প্ৰক্ৰিয়াটো এই গোচৰত অনুসৰণ কৰা হোৱা নাছিল আৰু সেয়েহে, আবেদনকাৰী/আবেদনকাৰীসকলক বিবাদিত দোকানসমূহৰ বন্দোবস্তি দিয়াটো সম্পূৰ্ণ অবৈধ আছিল। ইয়াৰ বাহিৰেও এই কথা স্বীকাৰ কৰা হৈছে যে আপীলকাৰীৰ অধিবক্তাই বহু পৰিমাণে আস্থা প্ৰকাশ কৰা বন্দোবস্তি দলিলসমূহ গাঁও পঞ্চায়তৰ সভাপতিয়ে নিজৰ ব্যক্তিগত ক্ষমতাতহে সম্পাদন কৰিছিল আৰু সেয়েহে আইনৰ দৃষ্টিত ইয়াৰ কোনো বৈধ্যতা নাই।

ইতিমধ্যে এটা সঠিক আৰু আইনী নিবিদা প্ৰক্ৰিয়া পৰিচালনা কৰা হৈছে সেয়েহে দোকানসমূহৰ আৱণ্টন ইয়াৰ পৰিণামস্বৰূপেহে কৰিব লাগিব।

এই গোচৰৰ আপীলকাৰীসকলে যদি পঞ্চায়ত/পঞ্চায়তৰ সেই সময়ৰ সভাপতিয়ে তেওঁলোকৰ ধন লোৱাৰ বাবে সচাকৈয়ে অসন্তুষ্ট হয়, তেন্তে তেওঁলোকে সেই ধন ঘূৰাই পোৱাৰ বাবে উপযুক্ত আইনী প্ৰতিকাৰৰ ব্যৱস্থা ল'ব লাগিব।

১৬) ওপৰত কৰা আলোচনাৰ পৰিপ্ৰেক্ষিতত আমাৰ দৃঢ় মতামত যে লেখ আবেদন(দেৱানী) নং ৫৪৬৮/২০১৯ আৰু লেখ আবেদন(দেৱানী) ৫৪১৯/২০২০ত

বিদ্বান একক বিচাৰপীঠৰ ১৩.০৯.২০২২ তাৰিখৰ বিবাদিত আদেশ আসোঁৱাহপূৰ্ণ নহয় আৰু ইয়াত হস্তক্ষেপৰ প্ৰয়োজনীয়তা নাই।

সেয়েহে লেখ আপীল নিস্ফল হয় আৰু গুণাগুণ নাই বুলি নাকচ কৰা হয় ।

খৰচৰ ক্ষেত্ৰত কোনো আদেশ নাই।

ন্যায়াধীশ                                                    মুখ্য ন্যায়াধীশ

মোকাবিলা সহায়ক

*Translated by- Suchenjit Bayan*